# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-03-2025
**Time :** 18-45  Hrs

***Assamese EVENING Bulletin***
**:::::::::::::::::::::::::::::::**

১।  ৰাজ্যখনৰ এগৰাকী মন্ত্ৰীয়ে এটা সম্প্ৰদায়ৰ প্ৰতি অসন্মানজনক মন্তব্য কৰাৰ অভিযোগত বিৰোধী পক্ষৰ অসম বিধানসভাত হুলস্থুলীয়া পৰিৱেশ সৃষ্টি।

২।  ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সৰ্বমুঠ ঋণ আৰু মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত ২৪ শতাংশৰ ভিতৰত ৰাখিবলৈ সমৰ্থ হৈছে বুলি  বিত্ত মন্ত্ৰীৰ প্ৰকাশ।

৩।  প্ৰাক্তন আই আই টিয়ানৰ সহযোগত অসমত ১০টা দক্ষতা বিকাশ কেন্দ্ৰ স্থাপনৰ বাবে মন্ত্ৰীসভাত সিদ্ধান্ত।

৪।  মিজোৰামৰ মুখ্যমন্ত্ৰী লালদুহমাৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে মুঠ ১৫ হাজাৰ ১৯৮ কোটি টকাৰ বাজেট উত্থাপন।

**আৰু**

৫।  আই চি চি চেম্পিয়নছ ট্ৰফীৰ প্ৰথমখন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ ভাৰতক জয়ৰ বাবে ২৬৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০

ৰাজ্যখনৰ এগৰাকী মন্ত্ৰীয়ে এটা সম্প্ৰদায়ৰ প্ৰতি অসন্মানজনক মন্তব্য কৰা বুলি অভিযোগ কৰি বিৰোধী এ আই ইউ ডি এফে  তেওঁৰ পদত্যাগৰ দাবী জনোৱাৰ লগতে মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ প্ৰস্তাৱ উত্থাপনৰ দাবী অধ্যক্ষই প্ৰত্যাক্ষান কৰাক লৈ আজি অসম বিধানসভাত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। আজি সদনত প্ৰশ্নোত্তৰ কালৰ পাছতে এ আই ইউ ডি এফৰ সদস্য ৰফিকুল ইছলাম আৰু অন্যান্যসকলে মন্ত্ৰী অশোক সিংহলে এটা বিশেষ সম্প্ৰদায়ৰ বিৰুদ্ধে কৰা মন্তব্যৰ প্ৰসংগ উত্থাপন কৰে আৰু বিশেষাধিকাৰ ভংগৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ বিচাৰে।  অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ইয়াৰ অনুমতি নিদিয়াত দলটোৰ সদস্যসকলে অধ্যক্ষৰ আসনৰ সন্মুখলৈ উঠি আহি ধ্বনি দিবলৈ ধৰে আৰু সদনত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। এই পৰিস্থিতিত অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত ৰাখিবলগীয়া হয়। সদন পুনৰ মিলিত হোৱাৰ পাছত পুনৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হোৱাত অধ্যক্ষই কংগ্ৰেছৰ আব্দুল কালাম ৰছিদ আলম, ৰাইজৰ দলৰ অখিল গগৈ আৰু এ আই ইউ ডি এফৰ আশ্ৰাফুল হকক সদনৰ পৰা বহিস্কাৰ কৰে। সেই সময়ত সভাপতিৰ আসনত থকা উপাধ্যক্ষ ডঃ নোমল মমিনে এয়া সদনৰ ভিতৰৰ বিষয় নহয় বুলি মন্তব্য কৰাত পৰিস্থিতি পুনৰবাৰ

নিয়ন্ত্ৰণৰ বাহিৰলৈ যায় আৰু ইয়াৰ ফলত সদনৰ কাৰ্যক্ৰমণিকা ২০ মিনিটৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। পাছত সদনৰ কামকাজ পুনৰ আৰম্ভ হোৱাত এ আই ইউ ডি এফৰ বিধায়কসকলে একেটা বিষয়কে লৈ হুলস্থূল কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত দলটোৰ বিধায়কসকলক উপাধ্যক্ষই ১০ মিনিটৰ বাবে সদনৰ পৰা নিলম্বন কৰে।

oooo

অসম চৰকাৰে ৰাজ্যখনে গ্ৰহণ কৰা সৰ্বমুঠ ঋণ আৰু মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত ২৪ শতাংশৰ ভিতৰত ৰাখিবলৈ সমৰ্থ হৈছে বুলি আজি বিত্ত মন্ত্ৰী অজন্তা নেওগে বিধানসভাত প্ৰকাশ কৰে। বিধায়ক আশ্ৰাফুল হুছেইনৰ ঋণৰ উৎস সম্পৰ্কে উত্থাপিত এটা প্ৰশ্নৰ উত্তৰত বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা আইন অনুসৰি এই অনুপাত ৩২ শতাংশৰ ভিতৰত ৰাখিব লাগে আৰু অসমে এই ক্ষেত্ৰত সফলতা লাভ কৰিছে। ৰাজ্য চৰকাৰে বজাৰ, বিত্তীয় প্ৰতিষ্ঠান, ৰাজ্যিক ভৱিষ্যনিধি আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ গ্ৰহণ কৰে বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে সদনত প্ৰকাশ কৰে। বৰ্তমান চলি থকা ঋণসমূহ ঋণৰ চৰ্তাৱলী অনুসৰি নিৰ্দিষ্ট সময়সীমাৰ  ভিতৰত পৰিশোধ কৰা হৈছে আৰু ভৱিষ্যতেও নিৰ্দিষ্ট সময়ত পৰিশোধৰ বাবে প্ৰয়াস অব্যাহত ৰখা হৈছে বুলি শ্ৰীমতী নেওগে প্ৰকাশ কৰে। বিগত বিত্তীয় বৰ্ষত চৰকাৰৰ বিভিন্ন বিভাগে দৰমহা পেঞ্চন, ভাট্টাকে ধৰি বিভিন্ন শিতানত ৬০ হাজাৰ ২০৩ কোটি টকা মোকলাই দিছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

oooo

ৰাজ্যত বৰ্তমানলৈকে ২৭ হাজাৰ ৯৩১ খন নলযোগে পানীযোগান আঁচনি ৰূপায়ণৰ বাবে গ্ৰহণ কৰা হৈছে আৰু ইয়াৰে ১৭ হাজাৰ ৩১৫ খন আঁচনিৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। বিধানসভাত আজি এটা প্ৰশ্নৰ উত্তৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই কথা প্ৰকাশ কৰি কয়, যে এতিয়ালৈকে অসম্পূৰ্ণ হৈ থকা ১০ হাজাৰ ৬১৬ খন জলজীৱন মিছন আঁচনিৰ কামৰ নিৰ্ধাৰিত সময়সীমা আৰু গুণগত মান নিৰ্ণয়ৰ বাবে সাময়িকভাৱে বন্ধ ৰখা হৈছে। কেন্দ্ৰীয় চৰকাৰে জলজীৱন মিছনৰ কাৰ্যকাল ২০২৮ চনলৈকে বৃদ্ধি কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে ৬৭ হাজাৰ কোটি টকাৰ পুঁজিত আৱণ্টন দিয়া হৈছে। জলশক্তি মন্ত্ৰালয়ে পুঁজি বিতৰণ ব্যৱস্থাৰ অধীনত চলিত বিত্তীয় বৰ্ষত ৰাজ্যখনৰ বাবে প্ৰয়োজনীয় পুঁজি মোকলাই দিয়াৰ আশ্বাস দিছে বুলি বিভাগীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

জলজীৱন মিছনৰ সাফল্য সন্দৰ্ভত আন এটা প্ৰশ্নৰ উত্তৰত শ্ৰীবৰুৱাই কয়, যে ৰাজ্যখনৰ মুঠ ৫৭ লাখ ৬৫ হাজাৰ ২৫৫টা পৰিয়ালে চলিত বৰ্ষৰ ২৪ ফেব্ৰুৱাৰী পৰ্যন্ত নলযোগে বিশুদ্ধ খোৱাপানী লাভ কৰিছে। আনহাতে জল মিত্ৰসকলক স্থায়ীভাৱে নিযুক্তি প্ৰদানৰ বিষয়টোক চৰকাৰে এতিয়ালৈকে বিবেচনা কৰা নাই বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ............ **বাইট (জয়ন্ত মল্লবৰুৱা)**

oooo

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান-আই আই টিৰ পৰা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সৰ্বভাৰতীয় সংগঠনৰ সহযোগত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ তত্বাৱধানত অসমত যুৱক-যুৱতীৰ দক্ষতা বিকাশৰ বাবে ১০ টা দক্ষতা কেন্দ্ৰ স্থাপন

কৰা হ'ব। ৯০ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পৰ ১০ শতাংশ ৰাজ্য চৰকাৰে আৰু বাকী অংশ আই আই টিৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সংগঠনে বহন কৰিব। দক্ষতা বিকাশৰ পাঠ্যক্ৰম গ্ৰহণ কৰা যুৱক-যুৱতীসকলৰ কৰ্মসংস্থাপন দিয়াৰ ব্যৱস্থাও আই আই টিৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ এই সংগঠনে গ্ৰহণ কৰিব। আজি বিয়লি দিশপুৰত অনুষ্ঠিত ৰাজ্য মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে।

মন্ত্ৰীসভাৰ বৈঠকে বিধান সভাত উত্থাপন হ'বলগীয়া কেইবাখনো বিধেয়কতো আজি অনুমোদন জনায়। ইয়াৰ ভিতৰত নতুনকৈ স্থাপন হ'বলগীয়া লখিমপুৰ আৰু শিৱসাগৰ বিশ্ববিদ্যালয়কে ধৰি কেইবাখনো বিশ্ববিদ্যালয়ত উপাচাৰ্য্য নিযুক্তি দিয়াতো ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন দিয়ে। ৰাজ্যৰ অভিযান্ত্ৰিক পাঠ্যক্ৰম সম্পূৰ্ণ কৰা যুৱক-যুৱতীসকলক লোক নিৰ্মাণ বা জলসম্পদ বিভাগত ঠিকাৰ বাবে নিবিদা দাখিল কৰিব পৰাকৈ প্ৰয়োজনীয় চৰ্তাৱলী শিথিল কৰাৰ বাবেও মন্ত্ৰীসভাই সিদ্ধান্ত লয়।

বাইট

এতিয়াৰ পৰা অসমত ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত স্পষ্টীকৰণ দিয়াটো বাধ্যতামূলক কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে নতুনকৈ স্থাপিত বিশ্ববিদ্যালয়সমূহে ধৰ্মনিৰপেক্ষ নীতি গ্ৰহন কৰিব লাগিব। এই প্ৰতিষ্ঠানসমূহ প্ৰত্যক্ষ বা পৰোক্ষভাৱে ধৰ্মান্তৰকৰণৰ বিষয়ৰ সৈতে জড়িত হ'ব নোৱাৰিব। এডভাণ্টেজ আচামৰ স্বাক্ষৰ হোৱা বুজাবুজিৰ চুক্তি অনুসৰি ছিপাঝাৰ আৰু তিনিচুকীয়াত মা কামাখ্যা নেচনেল ইউনিভাৰ্ছিটি অসম- এডটেক স্কীল ইউনিভাৰছিটি-অসম নামৰ দুখন নতুন বিশ্ববিদ্যালয় স্থাপনৰ বাবে বিধানসভাত বিধেয়ক উত্থাপন কৰিবলৈ মন্ত্ৰীসভাই সিদ্ধান্ত লয়। যিকোনো চৰকাৰী ভৱন নিৰ্মাণৰ ক্ষেত্ৰত ন্যূনতম ৫ শতাংশ বাঁহৰ সামগ্ৰী ব্যৱহাৰ বাধ্যতামূলক কৰিবলৈকো মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০

মিজোৰামৰ মুখ্যমন্ত্ৰী লালদুহমাই আজি ৰাজ্য বিধানসভাত ৰাজ্যখনৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰে। বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী লালদুহমাই উত্থাপন কৰা এই বাজেটত মুঠ ১৫ হাজাৰ ১৯৮ কোটি টকাৰ ব্যয় ধাৰ্য কৰা হৈছে। ইয়াৰ ভিতৰত ১২ হাজাৰ ৫৪০ কোটি ২০ লাখ টকাৰ ৰাজহ ব্যয় শিতানত ধাৰ্য্য কৰা হৈছে। এই পৰিমাণ পৰৱৰ্তী বিত্তীয় বছৰৰ সৰ্বমুঠ বাজেট আৱণ্টনৰ ৮২ দশমিক ৫-১ শতাংশ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে তেওঁৰ বাজেট ভাষণত উল্লেখ কৰে। ইয়াৰ বিপৰীতে মুলধনী শিতানত মুঠ ৩ হাজাৰ ৫১২ কোটি ৩৩ লাখ টকাৰ ব্যয় ধাৰ্য কৰা হৈছে। ৰাজ্য চৰকাৰৰ দৰমহা আৰু দৰমহা পেঞ্চন আৰু মৰগীয়া বানচৰ বৰ্ধিত পৰিমাণৰ বাবে ৰাজহ ব্যয় এইদৰে বৃদ্ধি পাব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। বাজেটত মিজোৰাম চৰকাৰৰ কেইবাখনো ধবজাবাহী আঁচনিৰ বাবদ আৱণ্টিত ধনৰ পৰিমাণ ৭৫ শতাংশ বৃদ্ধি পাইছে বুলি আমাৰ আইজলৰ সংবাদদাতাই জনাইছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কৰ্মচাৰীসকলে সপ্তম দৰমহা আয়োগৰ পৰামৰ্শ অনুসৰি বেতনসহ বকেয়া প্ৰদান, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি সম কাম-সম বেতন আৰু সমান সুযোগ সুবিধাৰ দাবীত তিনিদিনীয়া কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ কৰিছে। শিৱসাগৰ জিলাৰ এহেজাৰৰো অধিক এন এইচ এমৰ স্বাস্থ্যকৰ্মীয়ে ৰাজ্য চৰকাৰে চাকৰি নিয়মীয়াকৰণৰ প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ বাবে প্ৰতিবাদী কাৰ্যসূচীত ভাগ লৈছে। কৰ্ম বিৰতিৰ প্ৰতি চৰকাৰে সঁহাৰি নিদিলে ৰাজপথত গণতান্ত্ৰিক আন্দোলন কৰা হ'ব বুলি সদৌ অসম এন এইচ এম কাৰিকৰী কৰ্মচাৰী কল্যাণ সংস্থাই প্ৰকাশ কৰিছে।

ধেমাজি জিলাতো আজি এন এইচ এমৰ এশৰো অধিক ঠিকাভিত্তিক কৰ্মচাৰীয়ে জিলা যুটীয়া স্বাস্থ্যসেৱা সঞ্চালকৰ কাৰ্যালয় চৌহদত কৰ্ম বিৰতি কাৰ্যসূচী পালন কৰিছে।

শিলচৰ অসামৰিক চিকিৎসালয়ৰ চৌহদত এন এইচ এমৰ কৰ্মীসকলে বিভিন্ন দাবী উত্থাপিত প্লেকাৰ্ড হাতত লৈ বিক্ষোভ প্ৰদৰ্শন কৰে। এই কৰ্ম বিৰতিৰ সময়ত জৰুৰীকালীন সেৱাৰ বাহিৰে স্বাস্থ্যকৰ্মীসকলে কোনোধৰণৰ সেৱা আগ নবঢ়োৱাৰ সিদ্ধান্ত লৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাত ডেৰশৰো অধিক এন এইচ এমৰ স্বাস্থ্যকৰ্মীয়ে হাতে হাতে প্লেকাৰ্ড লৈ গজাৰীকান্দি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কৰ্ম বিৰতি পালন কৰাৰ বাতৰি আমালৈ আহিছে।

একেদৰে বৰপেটা জিলাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল চৌহদত এন এইচ এমৰ স্বাস্থ্যকৰ্মীসকলে এই প্ৰতিবাদৰ জৰিয়তে কেইবাটাও দাবী উত্থাপন কৰে। জিলাখনত ৮৫০তকৈও অধিক এন এইচ এমৰ স্বাস্থ্যকৰ্মী আছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

বজালী জিলাৰ নিত্যানন্দস্থিত খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল আৰু বিলাসীপাৰা আদৰ্শ স্বাস্থ্য কেন্দ্ৰৰ এন এইচ এমৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলেও প্ৰাপ্য অধিকাৰৰ দাবীত আজিৰে পৰা কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ কৰিছে।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৩৭ খন বিছনাযুক্ত ৰোগী সেৱা কেবিনৰ আধাৰশিলা স্থাপন কৰে। এই নতুন ব্যৱস্থাৰ জৰিয়তে ৰোগীসকলে যথেষ্ট সকাহ পাব বুলি আশা কৰা হৈছে। অইল ইণ্ডিয়া লিমিটেডৰ ক'ৰ্পৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত ৮ কোটি ৮৯ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ৩৭টা উন্নত মানৰ সুবিধাযুক্ত কোঠাত ২৪ ঘণ্টাই ৰোগীয়ে প্ৰয়োজনীয় চিকিৎসা লাভ কৰিব। উল্লেখযোগ্য যে ২০২৪ বৰ্ষত অইল ইণ্ডিয়া লিমিটেডে অসম চিকিৎসা মহাবিদ্যালয়ৰ সৈতে ১০০টা অত্যাধুনিক কেবিন নিৰ্মাণৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছিল।

০০০০

গৃহ মন্ত্ৰালয়ৰ ৰাজভাষা বিভাগৰ উদ্যোগত কাইলৈ গুৱাহাটীত পূব আৰু উত্তৰ-পূব ক্ষেত্ৰৰ যুটীয়া আঞ্চলিক ৰাজভাষা সন্মিলন আৰু বঁটা বিতৰণী সমাৰোহৰ আয়োজন কৰা হৈছে। ২০২৪-২৫ বৰ্ষৰ এয়া হৈছে তৃতীয়খন এনেধৰণৰ সন্মিলন। সন্মিলনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে গৃহ পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়, বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়া আৰু সাংসদ বিজুলী কলিতা মেধি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত ৰাজভাষা

বিভাগৰ সচিবকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশ ল'ব। সন্মিলনত বিভিন্ন চৰকাৰী কাৰ্যালয়, বেংক তথা অন্যান্য প্ৰতিষ্ঠানসমূহত চৰকাৰী ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত কৰা উল্লেখনীয় কামৰ বাবে ৪৮ গৰাকী লোকক বঁটা প্ৰদান কৰা হ'ব।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডৰ পৰীক্ষাত হোৱা অনিয়মক লৈ ৰুজু হোৱা গোচৰ সংক্ৰান্তত গ্ৰেপ্তাৰ হোৱা ইউ এছ টি এমৰ স্বত্বাধিকাৰী মহবুবুল হকৰ জামিন আবেদনৰ শুনানী আজি গুৱাহাটী উচ্চ ন্যায়ালয়ত গ্ৰহণ কৰা হয়। ন্যায়াধীশ মানস ৰঞ্জন পাঠকৰ বিচাৰপীঠে শুনানী গ্ৰহণ কৰাৰ পাছত আজি সকলো পক্ষৰ যুক্তি দৰ্শোৱাৰ প্ৰক্ৰিয়া অসম্পূৰ্ণ হৈ ৰোৱাৰ বাবে কাইলৈও শুনানী গ্ৰহণ কৰা হ'ব। ইয়াৰ পূৰ্বে কালি এই বিষয়টো সংক্ৰান্তিয় আন এটা গোচৰত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে সকলো পক্ষৰ অধিবক্তাৰ যুক্তি শুনাৰ পাছত অভিযুক্ত হকৰ জামিন মঞ্জুৰ কৰিছিল। উল্লেখযোগ্য যে পৰীক্ষাত অনিয়ম সন্দৰ্ভত শ্ৰীভূমি জিলাৰ পাথাৰকান্দি আৰক্ষীয়ে হকক গুৱাহাটীৰ পৰা গ্ৰেপ্তাৰ কৰিছিল।

০০০০

কাছাৰ জিলাৰ চন্দ্ৰনাথপুৰ-লংকা সংযোগী দ্বিতীয়টো ৰে'লপথ নিৰ্মাণৰ কাম শীঘ্ৰেই আৰম্ভ কৰাৰ দাবীত শিলচৰ-লামডিং ব্ৰডগেজ ৰে'লপথ ৰূপায়ণ সংগ্ৰাম সমিতিয়ে ৰে'লমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। আজি সমিতিৰ সদস্যসকলে এই স্মাৰক পত্ৰৰ প্ৰতিলিপি ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱক প্ৰদান কৰে। সাংসদগৰাকীয়ে সদনত এই ৰে'লপথটো নিৰ্মাণৰ দাবী উত্থাপন কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে এই ৰে'লপথটো নিৰ্মাণৰ বাবে ৰে'ল বিভাগে ইতিপূৰ্বে জৰীপ আৰম্ভ কৰিছিল। এই ৰে'লপথটো নিৰ্মাণ হ'লে অঞ্চল দুটাৰ মাজত যাত্ৰাৰ সময় হ্ৰাস পাব আৰু ভূমিস্খলন প্ৰৱন পাহাৰৰ কাযেৰে যাত্ৰা কৰাৰ শংকা দূৰ হ'ব বুলি জনসাধাৰণে প্ৰকাশ কৰিছে।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ডুবাইত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক জয়ৰ বাবে ২৬৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৬৪ ৰাণ সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ হৈ ষ্টিভেন স্মিথে সৰ্বাধিক ৭৩ ৰাণ সংগ্ৰহ কৰে। এলেক্স কেৰীয়ে ৫৭টা বলত ৬১ ৰাণ কৰে। ভাৰতৰ হৈ মহম্মদ শ্বামিয়ে তিনিটা উইকেট দখল কৰাৰ লগতে বৰুণ চক্ৰৱৰ্তী আৰু ৰবীন্দ্ৰ জাডেজাই দুটাকৈ উইকেট দখল কৰে।

আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৬ অভাৰত এটা উইকেট হেৰুৱাই ৩৯ ৰাণ সংগ্ৰহ কৰিছে।

প্ৰতিযোগিতাত কাইলৈ লাহোৰত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ড আৰু দক্ষিণ আফ্ৰিকা মুখামুখি হ'ব।

০০০০

সমাপ্ত